# ৰং
# শাৰদীয় সংখ্যা

## ৰহস্যঘনতা আৰু অসমীয়া উপন্যাস






**সম্পাদনা সমিতি**
**উপদেষ্টা-ড০ৰেণু হাজৰিকা**
**তত্ত্বাৱধায়ক-উষা দাস।**
**সম্পাদক-প্ৰাঞ্জনা দাস,পঞ্চম ষান্মাসিক**
**সদস্য-দৰ্শনা শৰ্মা**
**অংকিতা শৰ্মা**

মানৱ জীৱন ৰহস্যধৰ্মী।এই ৰহস্যধৰ্মিতা বাঙ্ময় হৈ উঠে সাহিত্যৰ মাজেৰে।অসমীয়া উপন্যাসৰ পঢ়ৱৈৰ সৃষ্টিত ৰহস্যধৰ্মী উপন্যাসৰ বিশেষ অৱদান আছে।কুমুদেশ্বৰ বৰঠাকুৰ,প্ৰেম নাৰায়ণ দত্ত, ৰঞ্জু হাজৰিকা,ভৱেন্দ্ৰনাথ শইকীয়া আদি বিভিন্নজন ঔপন্যাসিকে এই ধাৰাটোক শক্তিশালী কৰি ৰাখিছে।অসমীয়া সাহিত্যত ৰঞ্জু হাজৰিকা এই ধাৰাটোৰ একক আৰু অনন্য।নিৰবিচ্ছিন্নভাৱে পাঁচটা দশক জুৰি হাজৰিকাই ৭০০ ৰো অধিক উপন্যাস ৰচনাৰে পাঠকক আলোড়িত কৰি আহিছে।

# অসমীয়া সাহিত্যৰ জনপ্ৰিয় ঔপন্যাসিকজন-

ড০ ৰেণু হাজৰিকা
মুৰব্বী অধ্যাপিকা,অসমীয়া বিভাগ

আমাৰ শৈশৱ কালৰ অসংখ্য ৰোমাঞ্চকৰ স্মৃতি জড়িত হৈ থকা নামটোৱেই হৈছে ৰঞ্জু হাজৰিকা। প্ৰকৃতাৰ্থত আমাৰ দৰে বহুতকে উপন্যাস পঢ়াৰ বাবে অনুপ্ৰাণিত কৰা ব্যক্তিজনেই ৰঞ্জু হাজৰিকা বুলি কলেও বঢ়াই কোৱা নহয়। অসমীয়া সাহিত্যত তেওঁ ৰহস্য উপন্যাসৰ সম্ৰাট হিচাপে পৰিচিত। প্ৰথম অৱস্থাত তেওঁৰ উপন্যাসসমূহ আলোচনীৰ পাতত প্ৰকাশ পাইছিল। আমাৰ ঘৰত বিস্ময়,ৰহস্য,আতংক,ত্ৰিশূল আদি আলোচনী দাদাহঁতৰ হাতত দেখিছিলোঁ।লাহে লাহে সেই আলোচনীবোৰ মোৰ হাততো পৰিল আৰু সেই তেতিয়াই চিনাকি হ'লো এইজন সাহিত্যিকৰ হাতৰ সোণালী ফচলবোৰৰ সৈতে।

মই পঢ়া হাজৰিকাদেৱৰ প্ৰথম উপন্যাসখন আছিল 'পাপৰ ৰজা' ।এই উপন্যাসখন বিস্ময়ত ছোৱাঁ ছোৱাঁকৈ প্ৰকাশ পাইছিল।বিভিন্ন আলোচনীত প্ৰকাশিত 'মৃত্যু শীতল নীৰৱ হিমাচল', 'এটা দ্বীপ সাতটা কবৰ', 'অশান্ত সাগৰ আৰু অৱৰুদ্ধ প্ৰেম', 'অষ্টপ্ৰহৰৰ খেলা' , 'ৰক্তিম আৰ্তনাদ', 'ঈৰ্ষাৰ ৰক্তিম চক', 'প্ৰহৰী', 'বিষণ্ন প্ৰহৰ', 'জুলু' আদি উপন্যাসবোৰ ধাৰাবাহিকভাৱে প্ৰকাশ হৈছিল।'মৃত্যু শীতল নীৰৱ হিমাচল'ত হিমালয়ৰ বৰ্ণনা, 'এটা দ্বীপ সাতটা কবৰ', 'অশান্ত সাগৰ আৰু অৱৰুদ্ধ প্ৰেম' আদি উপন্যাসত সাগৰৰ বৰ্ণনা আৰু ৰহস্যময়তা দেখি স্তম্ভিত হৈছিলোঁ।জোক,বিছা আদিৰ আধাৰতো যে উপন্যাস সৃষ্টি হব পাৰে-সেয়া হাজৰিকাদেৱৰ উপন্যাস পঢ়ি অনুভৱ কৰিলোঁ। আফ্ৰিকাৰ গেজেপনি মৰা হাবি,গছৰ পৰা মখামখিকৈ সৰি পৰা জোকে মানুহক আক্ৰমণ কৰাৰ বৰ্ণনা পঢ়ি শিহৰিত আৰু আতংকিত হৈ পৰোঁ। বৰ্তমানলৈ প্ৰায় ৭৫০খন উপন্যাস ৰচনা কৰা ৰঞ্জু হাজৰিকাই শিশু আৰু চেমনীয়াৰ বাবে কিছুমান ডিটেকটিভ আৰু বিজ্ঞান ভিত্তিক চিৰিজো লিখিছিল।সেইবোৰৰ ভিতৰত জিতু-নিতু, জেচন, পবন, নন্দন আদি উল্লেখযোগ্য।
ৰঞ্জু হাজৰিকাৰ এই উপন্যাসসমূহ আৰু চিৰিজসমূহে অসংখ্য পঢ়ুৱৈৰ সৃষ্টি কৰিছে। জুলু নামৰ বনৰীয়া মহ এটিৰ অৰণ্য প্ৰীতি আৰু চোৰাং চিকাৰীৰ প্ৰতি থকা ঘৃণা দেখি বাকৰুদ্ধ হৈ যাব লাগে। একেদৰে ৰহস্য উদঘাটন কৰিবলৈ তেওঁ সৃষ্টি কৰা প্ৰাইভেট ডিটেকটিভ পবিত্ৰ লহকৰ, দেৱজিত ফুকন আৰু অমলকৃষ্ণ হাজৰিকাক কোনোবাই পাহৰিব পাৰে জানো ?১৯৭৩ চনত বহুৰূপী নামৰ উপন্যাসেৰে সাহিত্য জগতত প্ৰৱেশ কৰা, ১৯৭৭ চনৰ পৰা বিস্ময়ৰ পাতত উপন্যাস লিখা আৰু বাতৰি কাকতত ৬৭ খন উপন্যাস লিখি ইতিহাস গঢ়া এই গৰাকী সাহিত্যিকে এইবাৰ অসমীয়া শিশু সাহিত্য একাডেমী বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। সাহিত্যিক গৰাকীৰ সুস্বাস্থ্য আৰু দীৰ্ঘ জীৱন কামনা কৰাৰ লগতে সুন্দৰ সৃষ্টিৰ বাবে বাট চাই ৰ'লোঁ।

# বিগত বৰ্ষত হোৱা কাৰ্যাৱলী




তথ্য আৰু যোগাযোগ প্ৰযুক্তি বিষয়ক কৰ্মশালা (২৪-০৩-২০২৩ ইং)

২৪-০৩-২০২৩ ইং তাৰিখে ২৮ নং কোঠাত অসমীয়া ভাষাত তথ্য আৰু যোগাযোগ প্ৰযুক্তিৰ ব্যৱহাৰৰ ওপৰত এখন কৰ্মশালা অনুষ্ঠিত হয়। স্নাতকোত্তৰ (অসমীয়া) শ্ৰেণীৰ সমন্বয়ক উষা দাস আৰু স্নাতকোত্তৰ শ্ৰেণীৰ অধ্যাপক কৰিশ্মা বৈশ্য, তৃষ্ণামনি দাস, চন্দমিতা দাস আৰু ডিম্পল শৰ্মাই আই চি টিৰ ব্যৱহাৰৰ বিষয়ে ব্যাখ্যা কৰে। কৰ্মশালাত অসমীয়া বিভাগৰ স্নাতকোত্তৰ শ্ৰেণীৰ সকলোছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

**১অসমীয়া ব্যাকৰণ(*Add-On)* পাঠ্যক্ৰমৰ উদ্বোধনী কাৰ্যসূচী**

**২৮-০৩-২০২৩ তাৰিখে ১৪ নং কোঠাত দুপৰীয়া ২ বজাত ‘অসমীয়া ব্যাকৰণ’ৰ ওপৰত এড-অন পাঠ্যক্ৰমৰ উদ্বোধনী কাৰ্যসূচী অনুষ্ঠিত হয়। আইকিউএচিৰ সমন্বয়ক ড০ ৰবীনজ্যোতি খাটানিয়াৰে এড-অন পাঠ্যক্ৰমৰ উপকাৰিতাৰ বিষয়ে ব্যাখ্যা কৰে। ‘অসমীয়া ব্যাকৰণ’ৰ এড-অন পাঠ্যক্ৰমৰ সমন্বয়ক উষা দাসে পাঠ্যক্ৰমৰ সবিশেষ ব্যাখ্যা কৰে। ড০ প্ৰশান্ত ৰাভাই পাঠ্যক্ৰমৰ গুৰুত্বৰ বিষয়ে কয়। অনুষ্ঠানত অধ্যাপক কৰিশ্মা বৈশ্য, অধ্যাপক তৃষ্ণা মনি দাস, অধ্যাপিকা চন্দমিতা দাসৰ লগতে ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।**





১০-০৪-২০২৩ইং তাৰিখে ৰাতিপুৱা ১০.৩০ বজাত চেমিনাৰ হলত  তিব্বত-বৰ্মীয় ভাষা বিষয়ক এখন আলোচনা চক্ৰ অনুষ্ঠিত হয়। অসমীয়া বিভাগৰ পি জিৰ ছাত্ৰ-ছাত্ৰীয়ে PPT ব্যৱহাৰ কৰি গৱেষণা পত্ৰ দাখিল কৰে। আলোচনা চক্ৰৰ সমল ব্যক্তি ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক ড° দীপমণি দাসে তেওঁৰ ভাষণত উত্তৰ-পূব ভাৰতৰ তিব্বত-বৰ্মীয় ভাষাৰ বৈশিষ্ট্যৰ বিষয়ে ব্যাখ্যা কৰে। তেওঁ গৱেষণা পত্ৰ উপস্থাপন সন্দৰ্ভত নিয়ম-নীতিও উল্লেখ কৰে। অসমীয়াৰ বিভাগৰ মুৰব্বী অধ্যাপক ড° ৰেণু হাজৰিকাই গৱেষণা পত্ৰ কেনেকৈ লিখিব লাগে সেই বিষয়ে ব্যাখ্যা কৰে। আলোচনা চক্ৰত পি জি ক্লাছৰ সমন্বয়ক উষা দাস, ড° প্ৰশান্ত ৰাভা, কৰিশ্মা বৈশ্য, তৃষ্ণামনি দাস, চন্দামিতা দাস আৰু ডিম্পল শৰ্মাৰ লগতে ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

## দুনৰি উন্মোচন (PEER-REVIEWED JOURNAL)

**আজি ইংৰাজী ২৭-০৪-২০২৩ তাৰিখে দিনৰ ১২.৩০ বজাত হাউলীৰ বি এইচ কলেজৰ উপাধ্যক্ষ অধ্যাপক ৰঞ্জিত ভূঞাই অসমীয়া বিভাগৰ Peer-Reviewed Journal "দুনৰি" (সংখ্যা নং ৮) উদ্বোধন কৰে। মুখ্য অতিথি হাউলীৰ বি এইচ কলেজৰ অধ্যক্ষ ড০ ভূষণ চন্দ্ৰ পাঠকে নিয়মীয়াকৈ আলোচনীখন প্ৰকাশ কৰাৰ বাবে বিভাগৰ পদক্ষেপক প্ৰশংসা কৰে। ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক ড° দীপমণি দাসে আলোচনীখনৰ মানদণ্ড যথেষ্ট উচ্চ কৰি তুলিবলৈ পৰামৰ্শ দিছিল।অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° ৰেণু হাজৰিকাৰ সভাপতিত্বত সভাখন অনুষ্ঠিত হয়। সভাৰ উদ্দেশ্য বৰ্ণনা কৰে অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড০ প্ৰশান্ত ৰাভাই। সভাত বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ লগতে সকলো অধ্যাপক-অধ্যাপিকা  উপস্থিত থাকে।**

## বিদায় সভা ০৪-২০২৩

০৪-২০২৩ তাৰিখে PG 4th sem আৰু UG 6th sem (HC) ৰ ছাত্ৰ-ছাত্ৰীক বিদায় দিবলৈ ১০২ নং কোঠাত দিনৰ ১২.৩০ বজাত এখন বিদায় সভা অনুষ্ঠিত হয়। বি এইচ কলেজৰ একাউণ্টেন্সি বিভাগৰ সহযোগী অধ্যাপক অধ্যাপক প্ৰবীণ মহেশ্বৰীক মুখ্য অতিথি হিচাপে আমন্ত্ৰণ জনোৱা হয়। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক কঠোৰ পৰিশ্ৰম আৰু লক্ষ্যত উপনীত হোৱাৰ বাবে সংগ্ৰাম কৰিবলৈ পৰামৰ্শ দিয়ে। সভাত সভাপতিত্ব কৰে অসমীয়া বিভাগৰ HoD ড° ৰেণু হাজৰিকাই। অধ্যাপক উষা দাস, অধ্যাপক কৰিশ্মা বৈশ্য, অধ্যাপক চন্দমিতা দাস আৰু অসমীয়া বিভাগৰ অধ্যাপক ডিম্পল শৰ্মাই ছাত্ৰ-ছাত্ৰীসকলক আগন্তুক দিনবোৰৰ বাবে শুভকামনা জনায়। সভাৰ পিছত এক সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰা হয়।

# " অসমীয়া ভাষাৰ শুদ্ধ উচ্চাৰণ আৰু বানান" শীৰ্ষক কৰ্মশালা ( ২২ মে', ২০২৩)

ইংৰাজী ২২-০৫-২০২৩ তাৰিখে অসমীয়া বিভাগৰ সৌজন্যত আৰু বৰপেটা ৰোড সাহিত্য সভাৰ সহযোগত এখন বৈঠক অনুষ্ঠিত হয়। সভাৰ বিষয়বস্তু আছিল " অসমীয়া ভাষাৰ শুদ্ধ উচ্চাৰণ আৰু বানান"। সভাৰ সমল ব্যক্তি আছিল বিশিষ্ট ভাষাবিদ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য। সভাত বৰপেটা ৰোড সাহিত্য সভাৰ সভাপতি হিতেশ দাস উপস্থিত থাকে। আদৰণী ভাষণ প্ৰদান কৰে উপাধ্যক্ষ ৰঞ্জিত ভূঞাই। অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° ৰেনু হাজৰিকা ৰ সভাপতিত্বত সভাখন অনুষ্ঠিত হয়। সভাত ড০ দীপমণি দাস, ড০ চুলতান আলী আহমেদ, ড০ দেৱব্ৰত দত্তৰ লগতে অসমীয়া বিভাগৰ অধ্যাপকসকল উপস্থিত থাকে। ভট্টাচাৰ্যৰ বক্তৃতাৰ পৰা ছাত্ৰ-ছাত্ৰীসকল উপকৃত হয়।



স্নাতকোত্তৰ শ্ৰেণীৰ অনুশীলন পাঠ্যক্ৰমঃ(১৭-৮-২০২৩ )




বি.এইচ.কলেজৰ অসমীয়া বিভাগে পি জিৰ ক্লাছ আৰম্ভ হোৱাৰ পূৰ্বে অনুশীলন কাৰ্যসূচী অনুষ্ঠিত কৰি আহিছে। সেই অনুসৰি ১৭ আগষ্ট, ২০২৩ তাৰিখে দিনৰ ১২-৩০ বজাত চেমিনাৰ হলত অনুশীলন কাৰ্যসূচী অনুষ্ঠিত হয়। অসমীয়া আৰু শিক্ষা বিভাগে যৌথভাৱে আয়োজন কৰা এই অনুষ্ঠানটোত অধ্যক্ষ ড° বি.চি.পাঠকে ছাত্ৰ-ছাত্ৰীসকলক আদৰণি জনাই জীৱনত সফলতা লাভৰ বাবে কঠোৰ পৰিশ্ৰম কৰিবলৈ পৰামৰ্শ দিয়ে। তৃতীয় ষান্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলে P.G ক্লাছৰ সুবিধা-অসুবিধাসমূহ অধ্যক্ষৰ আগত দাঙি ধৰে। অধ্যক্ষই ছাত্ৰ-ছাত্ৰীক সমস্যা সমাধানৰ আশ্বাস দিলে।

# শিক্ষক দিৱস উদযাপনঃ

২০২৩ চনৰ ৫ ছেপ্টেম্বৰ তাৰিখে অসমীয়া বিভাগৰ ছাত্র-ছাত্রীসকলে একত্রিত হৈ শিক্ষক দিৱস অতি উলহ-মালহেৰে উদযাপন কৰে। বিভাগটোৰ শিক্ষকসকলে শিক্ষকসকলক সন্মান জনোৱাৰ বাবে উৎসর্গিত এই বিশেষ দিনটোৰ গভীৰ তাৎপর্যৰ ওপৰত আলোকপাত কৰাৰ লগতে ড০ ৰাধাকৃষ্ণনৰ গভীৰ জীৱন দর্শনৰ বিষয়ে ভাষণ দিয়ে।



# ৰাষ্ট্ৰীয় কৰ্মশালাঃ(১৬ আৰু ১৭ নৱেম্বৰ,২০২৩)




১৬ আৰু ১৭ নৱেম্বৰত "Innovative Practice in Social Science Research-ৰ বিষয়ৰ আধাৰত এক ৰাষ্ট্ৰীয় কৰ্মশালা অনুষ্ঠিত হয়। স্নাতকোত্তৰ বিভাগৰ নেতৃত্বত লোৱা এই অগ্ৰণী পদক্ষেপত ইউ এছ টি এম আৰু গুৱাহাটীৰ ৰয়েল গ্ল’বেল ইউনিভাৰ্চিটিয়ে সহযোগিতা কৰে।উদ্বোধনী অনুষ্ঠানত ইউ এছ টি এম-ৰ উপাচাৰ্য ড০ বলেন্দ্ৰ কুমাৰ দাসে জীৱনৰ গভীৰ তাৎপৰ্য আৰু গৱেষণাৰ পথ অন্বেষণৰ ওপৰত বাকপটুতাৰে আলোকপাত কৰে। অধ্যক্ষ ড০ ভূষণ চন্দ্ৰ পাঠকে ছাত্ৰ-ছাত্ৰী আৰু গৱেষক উভয়ৰে বাবে কৰ্মশালাৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। কৰ্মশালাত সমল ব্যক্তি হিচাপে যোগদান কৰে ড০ অমিত চৌধুৰী, ড০ কিশোৰ শৰ্মা, উনমিলন কলিতা, ড০ বাগস্মৃতা ভাগৱতী  আৰু  স্বস্তিক গোটে।

# শিক্ষামূলক ভ্ৰমণঃ (২০-৩-২০২৪ইং)

বি এইচ কলেজৰ অসমীয়া বিভাগে ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশৰ লক্ষ্যৰে সময়ে সময়ে শৈক্ষিক ভ্ৰমণৰ ব্যৱস্থা কৰি আহিছে। অধ্যাপিকা উষা দাস আৰু তৃষ্ণমণি দাসৰ নেতৃত্বত গঠিত প্ৰতিনিধি দলটোৱে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ লগতে বিশ্ববিদ্যালয়খনৰ পুথিভঁৰাল পৰিদৰ্শন কৰে। মহাবিদ্যালয়ৰ প্ৰকাশন সমিতিয়ে প্ৰকাশ কৰা কেইবাখনো গ্ৰন্থ পুথিভঁৰাল গৰাকীৰ হাতত তুলি দিয়ে।









# ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা-চক্ৰ(১০-২-২০২৪ইং)

যোৱা ১০ ফেব্ৰুৱাৰী,২০২৪ ইং তাৰিখে অসম সাহিত্য সভা আৰু বি এইচ্ কলেজৰ অসমীয়া বিভাগৰ যুটীয়া প্ৰচেষ্টাত 'আধুনিক অসমীয়া কবিতাৰ বিৱৰ্তন আৰু বৈচিত্ৰ্য ' শীৰ্ষক বিষয়ত এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা-চক্ৰ অনুষ্ঠিত হয় । দীক্ষিতা নাথৰ বৰগীতেৰে আৰম্ভ হোৱা আলোচনা চক্ৰৰ উদ্বোধনী অনুষ্ঠানত বিভাগৰ ছাত্ৰীয়ে অসম সাহিত্য সভাৰ আৰম্ভণী গীত পৰিৱেশন কৰে। কলেজৰ অধ্যক্ষ ড০ ভূষণ চন্দ্ৰ পাঠকে কবিতা পাঠেৰে আদৰণী ভাষণ প্ৰদান কৰে। আলোচনা চক্ৰৰ বীজ ভাষণ প্ৰদান কৰে আৰ্য বিদ্যাপীঠ কলেজৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপিকা ড০ গীতাঞ্জলি হাজৰিকাই। সঞ্চালক হিচাপে উপস্থিত থাকে অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক ড০ উপেন্দ্ৰজিৎ শৰ্মা আৰু অসম সাহিত্য সভাৰ কবি সন্মিলন উপসমিতিৰ কাৰ্যকৰী সভাপতি ডা০ হৰেন চৌধুৰীয়ে। ড০ গীতাঞ্জলি হাজৰিকা, ড০ চুলতান আলী আহমেদ,ড০ ৰেণু হাজৰিকাই সমল ব্যক্তি হিচাপে অংশ গ্ৰহণ কৰি আলোচনা চক্ৰখন সাফল্যমণ্ডিত কৰি তোলে।অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ২৫ জন গৱেষক-গৱেষিকাই আধুনিক অসমীয়া কবিতাৰ বিৱৰ্তন আৰু বৈচিত্ৰৰ ওপৰত আলোকপাত কৰি গৱেষণা পত্ৰ পাঠ কৰে। ড০ হেমন্ত ডেকাই আলোচনা চক্ৰখনৰ সমন্বয়ক হিচাপে সুন্দৰকৈ কাম-কাজবোৰ চলাই নিয়ে।



# লোক-সংস্কৃতিবিদ ফুলকুমাৰী কলিতা স্মাৰক বক্তৃতানুষ্ঠান

আজি ২৭-০৬-২৪ ইং তাৰিখে বি.এইচ্ . কলেজৰ অসমীয়া বিভাগৰ উদ্যোগত আৰু বিভাগৰ প্ৰাক্তন শিক্ষাৰ্থীসকলৰ সহযোগ তথা উপস্থিতিত "লোক-সংস্কৃতিবিদ ফুলকুমাৰী কলিতা স্মাৰক বক্তৃতানুষ্ঠান" সফলভাৱে সম্পন্ন হৈ যায়। অনুষ্ঠানটি আৰম্ভ কৰা হয় অসমীয়া বিভাগৰ প্ৰাক্তন ছাত্ৰী ফুল দেৱীৰ বৰগীত পৰিৱেশনেৰে। অসমীয়া বিভাগৰ পৰা ড০ হেমন্ত ডেকাৰ সম্পাদনাত প্ৰকাশিত আধুনিক অসমীয়া কবিতা ৰূপ আৰু ৰূপান্তৰ শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰে উক্ত অনুষ্ঠানত বক্তা হিচাপে অংশ গ্ৰহণ কৰা বিশিষ্ট সাহিত্যিক অক্ষয় কুমাৰ মিশ্ৰদেৱে। ফুলকুমাৰী কলিতা স্মাৰক বক্তৃতা প্ৰদান কৰি মিশ্ৰদেৱে অসমৰ লোক সংস্কৃতিৰ ক্ষেত্ৰখনত প্ৰয়াত ফুলকুমাৰী কলিতাৰ অৱিহণাৰ বিষয়ে মননশীল আলোচনা আগবঢ়ায়।তেখেতৰ মতে ফুলকুমাৰী কলিতাৰ ভাষা আৰু ৰচনাশৈলীক গভীৰভাৱে অধ্যয়ন কৰাৰ প্ৰয়োজনীয়তা আছে।সাহিত্যিক বিবেকাৰঞ্জন ৰায়চৌধুৰীদেৱে ফুলকুমাৰী কলিতাৰ বহুমুখী প্ৰতিভা বিশেষকৈ অভিনয় জগতত তেওঁ প্ৰদৰ্শন কৰা দক্ষতাৰ বিষয়ে যথাৰ্থ আলোচনা আগবঢ়ায়। সাহিত্যিক ৰামকৃষ্ণ তালুকদাৰেও ফুলকুমাৰী কলিতাৰ প্ৰতিভাৰ ভিন্ন দিশৰ ওপৰত বক্তব্য আগবঢ়ায়। অধ্যক্ষ ড০ ভূষণ চন্দ্ৰ পাঠকে ফুলকুমাৰী কলিতাৰ ৰচনাৰ অন্তৰ্নিহিত দিশক পোহৰলৈ আনি হিন্দী সাহিত্যৰ প্ৰথিতযশা সাহিত্যিকৰ সৈতে তেওঁৰ সাহিত্যৰ এক তুলনামূলক আলোচনা আগবঢ়ায়। প্ৰয়াত ফুলকুমাৰী কলিতাৰ স্বামী ভৱানীপুৰ আঞ্চলিক কলেজৰ অৱসৰী অধ্যক্ষ নবীন কলিতাদেৱে ফুলকুমাৰী কলিতাৰ মহানতাৰ নিদৰ্শন দাঙি ধৰি তেওঁৰ স্মৃতিত পতা অনুষ্ঠানটোৰ বাবে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলক ধন্যবাদ জ্ঞাপন কৰে। বিভাগীয় মুৰব্বী ড০ৰেণু হাজৰিকাই ফুলকুমাৰী কলিতাৰ সান্নিধ্যৰ মধুৰ স্মৃতি স্মৰণ কৰে। অধ্যাপক ড০ হেমন্ত ডেকাই তেওঁৰ সম্পাদনাত প্ৰকাশ পোৱা ফুলকুমাৰী কলিতাৰ ৰচনাৱলীৰ আঁৰৰ কথাবোৰ তেওঁৰ ভাষণৰ মাজেৰে প্ৰকাশ কৰে। অনুষ্ঠানটো আকৰ্ষণীয় কৰি তোলে জনপ্ৰিয় শিল্পী কবিন দাস আৰু ধূলিকণা দাসৰ সংগীতে। তেওঁলোকেফুলকুমাৰী কলিতা ৰচিত গীতৰ শৰাইৰে সমজুৱাক মোহিত কৰে। প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সভাপতি হিৰণ্য নাথে সভাপতিত্ব কৰা সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদিকা চন্দামিতা দাসে। আঁত ধৰে প্ৰাক্তন ছাত্ৰ হিতেশ দাসে আৰু শলাগৰ শৰাই আগবঢ়ায় প্ৰাক্তন ছাত্ৰী চেলিনা জেকলিনা পাৰবীনে। সভাৰ আৰম্ভণিতে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে আগবঢ়োৱা দান-বৰঙণিৰে এটিবিভাগীয় পুথিভঁৰালো উদ্বোধন কৰা হয়। পুথিভঁৰাল উদ্বোধন কৰে উপাধ্যক্ষ ৰঞ্জিতভূঞাদেৱে।








